**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 21-09-2025**
**Time : 21-25 Hrs**

# ASSAMESE NIGHT BULLETIN

**::::::::::::::::::**

অন্তিম শয়নত ঢলি পৰা গীতৰ জ্যোতিষ্ক, প্ৰাণৰ শিল্পী জুবিন গাৰ্গক আজি ৰাজ্যৰ অনুৰাগীসকলে অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা জ্ঞাপন কৰিছে। ৰাজ্যৰ সংগীত ক্ষেত্ৰত বৃহৎ শূন্যতাৰ সৃষ্টি কৰি আকস্মিকভাৱে আঁতৰি যোৱা জনতাৰ শিল্পী জুবিন গাৰ্গক শেষ দৰ্শনৰ বাবে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত অজস্ৰ গুণমুগ্ধই ভীৰ কৰা পৰিলক্ষিত হয়। জনসাধাৰণে ধাৰাসাৰ বৰষুণকো নেওচি, ভিৰ ঠেলি হিয়াৰ আমঠু শিল্পীগৰাকীক শ্ৰদ্ধা জ্ঞাপন কৰিছে। শিল্পীগৰাকীক সকলো অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি জনাব পৰাকৈ আজি গোটেই নিশা আৰু কাইলৈও ষ্টেডিয়াম খোলা থাকিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

ইপিনে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি সন্ধিয়া লোকসেৱা ভৱনত অনুষ্ঠিত কেবিনেট বৈঠকত জুবিন গাৰ্গৰ শেষকৃত্য যোৰাবাটৰ সমীপৰ কমাৰকুছিত পৰহিলৈ সম্পন্ন কৰাৰ বাবে সিদ্ধান্ত লোৱা হয়। পৰিয়ালৰ ইচ্ছা অনুসৰি এই সিদ্ধান্ত লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে সেই স্থানতে প্ৰিয় শিল্পীগৰাকীৰ সমাধিক্ষেত্ৰ নিৰ্মাণ কৰা হ'ব বুলি উল্লেখ কৰে। মন্ত্ৰীসভাই  জনতাৰ শিল্পীগৰাকীৰ ভষ্মৰে যোৰহাট জিলাতো এখন সমাধিক্ষেত্ৰ নিৰ্মাণ কৰাৰ সিদ্ধান্ত লয়।

**বাইট**

জুবিন গাৰ্গৰ মৃত্যুত ঘোষণা কৰা ৰাজ্যিক শোক ২৩ ছেপ্তেম্বৰলৈ বঢ়াই দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে কাইলৈ স্কুল কলেজ তথা কাৰ্যালয়সমূহ নিয়মীয়াকৈ খোলা ৰখাৰ বাবে আহ্বান জনাইছে। অৱশ্যে  মঙলবাৰে শিল্পীগৰাকীৰ শেষ কৃত্যৰ দিনা সকলোবোৰ প্ৰতিষ্ঠান বন্ধ থাকিব বুলি তেওঁ ঘোষণা কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ অন্তেষ্টিক্ৰিয়া সম্পন্ন হোৱাৰ পাছতে তেওঁৰ মৃত্যুৰ বিষয়টোৰ তদন্ত কৰা হ'ব বুলি প্ৰকাশ কৰিছে। ইপিনে, ছিংগাপুৰস্থিত ভাৰতৰ উচ্চায়ুক্তই জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত দিয়া প্ৰমাণপত্ৰত পানীত ডুবি শিল্পীগৰাকীৰ মৃত্যু হোৱা বুলি প্ৰকাশ পাইছে।

০০০০০০

বৰল প্ৰতিভাসম্পন্ন শিল্পী, একাধিক প্ৰজন্মৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল মৃত্যুত সমগ্ৰ ৰাজ্যবাসী শোকত ম্ৰিয়মান হৈ আছে। জুবিন গাৰ্গৰ বিয়োগত আজিও দেশৰ বিভিন্ন প্ৰান্তত অনুৰাগীসকলে তেওঁক শ্ৰদ্ধা নিবেদন কৰিছে। মুম্বাইত ভালেসংখ্যক শিল্পীয়ে আজি জুবিনক গানেৰে শ্ৰদ্ধা জনায়। কলকাতাতো অসংখ্য শিল্পীয়ে

তেওঁক শ্ৰদ্ধা নিবেদন কৰিছে। মহিলা ক্ৰিকেট বিশ্বকাপৰ উদ্বোধনী অনুষ্ঠানত জুবিন গাৰ্গৰ মৃত্যুত শ্ৰদ্ধা জনাই ৪০ মিনিটৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হ'ব বুলি বি চি চি আইৰ সচিব দেৱজিত লন শইকীয়াই জনাইছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিও প্ৰিয় শিল্পীগৰাকীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হৈছে। ডিব্ৰুগড় জিলাত আজিও হাজাৰ হাজাৰ লোকে প্ৰাণৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

তিনিচুকীয়া জিলাৰ মাকুমত আজি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই এটা সমদল উলিওৱা হয়। দৰং জিলা সাহিত্য সভা, মঙলদৈ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনী, মঙলদৈ মহাবিদ্যালয়কে ধৰি দৰং জিলাৰ বিভিন্ন স্থানত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই সমূহীয়া প্ৰাৰ্থনা সভা, ৰাজহুৱা স্মৃতিচাৰণ অনুষ্ঠান আদিৰ আয়োজন কৰা হৈছে।

০০০০০০

শাৰদীয় দুৰ্গা পূজা উপলক্ষে ৰাজ্য চৰকাৰে অসম চাহ নিগমৰ শ্ৰমিক কৰ্মচাৰীসকলক ২০ শতাংশ বনাচ প্ৰদান কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত আজি এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। মন্ত্ৰীসভাই আজি অসম লোকসেৱা আয়োগৰ প্ৰাৰম্ভিক পৰীক্ষাৰ প্ৰশ্নকাকত ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে ছপা কৰাৰ সিদ্ধান্তত অনুমোদন জনায়। পৰীক্ষাৰ ক্ষেত্ৰত থকা ভাষাৰ অসুবিধা দূৰ কৰাৰ বাবে বিশেষকৈ গ্ৰামাঞ্চল তথা অতি পিছপৰা অঞ্চলৰ প্ৰাৰ্থীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। গুৱাহাটীৰ খানাপাৰাত ৫ হাজাৰ আসনযুক্ত জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ প্ৰকল্পৰ কাৰ্যকৰীকৰণতো মন্ত্ৰীসভাই অনুমোদন জনায়।

০০০০০০

কাইলৈ হ'বলগীয়া বিটিচি নিৰ্বাচনৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। নিৰ্বাচন নিয়াৰিকৈ আৰু সুচাৰুৰূপে পৰিচালনাৰ বাবে জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে প্ৰিজাইডিং আৰু পোলিং বিষয়াসকল নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হৈছে। বাক্সা জিলাৰ ৫৭৫ টা কেন্দ্ৰত কাইলৈ ভোটগ্ৰহণ কৰা হ'ব। জিলাখনৰ ছটা পৰিষদীয় সমষ্টিৰ ৪ লাখ ৭৪ হাজাৰ ১৯৭গৰাকী ভোটদাতাই ৫২গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব।

চিৰাং জিলাৰ ৭টা পৰিষদীয় সমষ্টিৰ মুঠ ৪৬৬টা ভোটগ্ৰহণ কেন্দ্ৰত কাইলৈ নিৰ্বাচন অনুষ্ঠিত হ'ব। চিৰাং জিলাৰ ৭টা পৰিষদীয় সমষ্টিত মুঠ ৫৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। জিলাখনৰ ১৯২টা ভোটগ্ৰহণ কেন্দ্ৰ স্পৰ্শকাতৰ হিচাপে চিহ্নিত কৰা হৈছে।

কোকৰাঝাৰ জিলাৰ ১২টা পৰিষদীয় সমষ্টিতো নিৰ্বাচনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত পোলিং আৰু প্ৰিজাইডিং বিষয়াসকল বেলট বাকচ আৰু অন্যান্য যাৱতীয় সামগ্ৰী লৈ নিজ নিজ ভোটকেন্দ্ৰত উপস্থিত হৈছেগৈ।

০০০০০০

সমাপ্ত